# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-04-2025
**Time :** 18-00 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনভোগীসকলৰ বাবে যোৱা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ বৃদ্ধি কৰাৰ বাবে অসম চৰকাৰে সিদ্ধান্ত লৈছে। জনতাভৱনত আজি অনুষ্ঠিত মন্ত্ৰীসভাৰ এখন বৈঠকৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে অসম চৰকাৰে ৰাজ্যখনৰ চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকললৈ উন্নতমানৰ স্বাস্থ্য সেৱা, বিশেষকৈ বিনামূলীয়া ঔষধৰ সুবিধা আগবঢ়োৱাৰ বাবে স্বাস্থ্য বিভাগলৈ ১৯০ কোটি টকা মঞ্জুৰ কৰিছে।

সময়ৰ লগে লগে দুৰ্বল হৈ অহা ৰাজ্যৰ মথাউৰিসমূহৰ সুৰক্ষাৰ বাবে মথাউৰি নিৰীক্ষণ আৰু বান প্ৰস্তুতি সমিতি গঠনত আজিৰ মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়। জিলা আৰু সমজিলা পৰ্যায়ত এই সমিতিসমূহ গঠন কৰা হ'ব।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

আজিৰ বৈঠকত চাহ জনগোষ্ঠীৰ বাবেও কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ৭৫০ কোটি টকা ব্যয়ৰে ৫০০ চাহ বাগিচাত নিৰ্মাণ কৰা মহাপ্ৰভু জগন্নাথ সামুহিক ভৱন তথা দক্ষতা কেন্দ্ৰৰ তত্বাৱধান আৰু সঠিক কাৰ্যকলাপ সুনিশ্চিত কৰণৰ বাবে এখন ব্যৱস্থাপনা সমিতি গঠন কৰা হ'ব।

মন্ত্ৰীসভাৰ আজিৰ বৈঠকত জাগীৰোডত ১৪২ কোটি টকা ব্যয় সাপেক্ষ প্ৰায় এহেজাৰ কৰ্মৰত মহিলাৰ বাবে এটা অত্যাধুনিক হোষ্টেল নিৰ্মাণৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি নগৰ অঞ্চলত জলবায়ু পৰিৱৰ্তনৰ বিষয়ত নীতিগত হস্তক্ষেপৰ জৰিয়তে পৰামৰ্শ আৰু কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে অসম নগৰ জলবায়ু কেন্দ্ৰ স্থাপনত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাই বিদেশী ন্যায়াধীকৰণত চলি থকা ২৮ হাজাৰ কোচ ৰাজবংশী লোকৰ গোচৰ তাৎক্ষণিকভাৱে প্ৰত্যাহাৰৰ সিদ্ধান্তও গ্ৰহণ কৰিছে।ৰ

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ বাকী থকা পৰীক্ষাসমূহ বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পৰিপ্ৰেক্ষিতত শিক্ষকসকল নিৰ্বাচনী কাম-কাজত ব্যস্ত থকাৰ উপৰি ২০ মে' পৰ্যন্ত নিৰ্বাচনী প্ৰক্ৰিয়া চলিবলগীয়া বিষয়টো বিবেচনা কৰি বিদ্যালয় শিক্ষা পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেষণা অনুসৰি প্ৰথমবৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো পৰীক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। কোনো শিক্ষানুষ্ঠান বা শিক্ষাৰ্থীয়ে পৰীক্ষা অনুষ্ঠিত নোহোৱা বিষয়কেইটাৰ দক্ষতা পৰীক্ষা কৰিব বিচাৰিলে সংশ্লিষ্ট মহাবিদ্যালয়ৰ পৰা অধ্যয়ন আৰু অনুশীলনৰ বাবে প্ৰশ্নকাকত সংগ্ৰহ কৰিব পাৰিব বুলিও নিৰ্দেশনাটোত

উল্লেখ কৰা হৈছে। অৱশ্যে প্ৰশ্ন কাকতৰ টোপোলা খোলাৰ বাবে যিসমূহ শিক্ষানুষ্ঠানৰ বিৰুদ্ধে তদন্ত চলি আছে, তেনে শিক্ষানুষ্ঠানে সংশ্লিষ্ট মহাবিদ্যালয়ৰ পৰা দক্ষতা পৰীক্ষাৰ বাবে প্ৰশ্ন কাকত আনিব নোৱাৰিব। পৰিষদে লগতে ছাত্ৰ-ছাত্ৰীসকলৰ একাদশ শ্ৰেণীৰ মাৰ্কশ্বিটসমূহ বিদ্যালয় শিক্ষা পৰিষদৰ সংমণ্ডল দুইৰ ৱেবছাইটৰ পৰা ডাউনলোড কৰিবলৈ শিক্ষানুষ্ঠানসমূহক কৰ্তৃত্ব প্ৰদান কৰিছে। নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি গোট পৰীক্ষা, ছমহীয়া পৰীক্ষা বা হৈ যোৱা প্ৰথমবৰ্ষৰ পৰীক্ষাকেইটাত লাভ কৰা গড় নম্বৰৰ ভিত্তিত বাকী থকা বিষয়কেইটাত ছাত্ৰ-ছাত্ৰীসকল নম্বৰ প্ৰদান কৰিব লাগিব। অহা ১৫ জুনৰ ভিতৰত নম্বৰ প্ৰদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে নিৰ্দেশ জাৰি কৰিছে।

০০০০

ধেমাজি জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতে আজি ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত এজন লোকক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে। ন্যায়াধীশ কৌশিক হাজৰিকাৰ বিচাৰপীঠে আজি ধেমাজি জিয়াঢলৰ ৰামেশ্বৰ দলে নামৰ লোকজনক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা অনাদায়ে তেওঁ অতিৰিক্ত ৩ বছৰ কাৰাবাস খাটিব লাগিব বুলিও ৰায়টোত কোৱা হৈছে। ২০২৪ চনত এগৰাকী নাবালিকাক ধৰ্ষণৰ গোচৰত ৰামেশ্বৰ দলেৰ বিৰুদ্ধে ধেমাজি আৰক্ষী থানাত গোচৰ ৰুজু কৰা হৈছিল। আদালতে বাদী আৰু বিবাদী পক্ষৰ যুক্তি-তৰ্ক শুনাৰ পাছত অভিযুক্ত দলেক দোষী সাব্যস্ত কৰে আৰু আজি তেওঁৰ বিৰুদ্ধে শাস্তি ঘোষণা কৰে।  আনহাতে ২০২০ চনত চিলাপথাৰত সংঘটিত নাবালিকা ধৰ্ষণৰ আন এটা গোচৰ সন্দৰ্ভত আজি একেখন আদালতেই পৰিতোষ মণ্ডল নামৰ আন এজন অভিযুক্তক ৫ বছৰ সশ্ৰম কাৰাদণ্ডৰ ৰায়দানৰ লগতে ১০ হাজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা আদায় নিদিলে ৬ মাহৰ অতিৰিক্ত কাৰাদণ্ড দিয়া হ'ব। ২০২০ চনত নাবালিকা ধৰ্ষণৰ অভিযোগতপৰিতোষ মণ্ডলৰ বিৰুদ্ধে চিলাপথাৰ  আৰক্ষী থানাত গোচৰ ৰুজু কৰা হৈছিল। ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে আজি ২০২৪ চনত ধেমাজি আৰক্ষী থানাত ৰুজু হোৱা আন এগৰাকী নাবালিকা ধৰ্ষণৰ গোচৰত অভিযুক্ত ধেমাজি পাঁচআলিৰ ললিত বৰা নামৰ এজন লোকৰ বিৰুদ্ধেও ছবছৰৰ সশ্ৰম কাৰাদণ্ডৰ উপৰি ১০ হাজাৰ টকাৰ জৰিমনা বিহে। আদালতে এই তিনিওগৰাকী অভিযুক্তক পকছ' আইনৰ অধীনত দোষী সাব্যস্ত কৰি এই গুৰুত্বপূৰ্ণ ৰায়দান কৰে বুলি চৰকাৰী পক্ষৰ অধিবক্তাৰ উদ্ধৃতি দি আমাৰ ধেমাজিৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

সমাপ্ত